## বৈজ্ঞানিক শ্ৰেণী বিভাজন

| | | |
|---|---|---|
| জগৎ | - | প্লেনেটেই (Plantae) |
| (অশ্ৰেণীভুক্ত) | - | এনগিওছপাৰ্মচ্ (Angiosperms) |
| (অশ্ৰেণীভুক্ত) | - | ইউডিকোটচ্ (Eudicots) |
| (অশ্ৰেণীভুক্ত) | - | এছটেৰিডচ্ (Asterids) |
| ক্ৰম | - | এছটেৰিডচ্ (Asterids) |
| বংশ পৰিয়াল | - | এছটেৰিণচিয়ে (Asteraceae) |
| উপবংশ | - | এছটেৰিওডিয়ে (Asteroideae) |
| বংশ | - | এনথেমাইডিয়ে (Anthemideae) |
| জাতি | - | ইন্দ্ৰমালতী (Chrysanthemum) |

ইন্দ্ৰমালতীক কেতিয়াবা মামচ বা ক্ৰিজেনঠচ বুলিওঁ কোৱা হয়। ই ইন্দ্ৰমালতী জাতৰ এবিধ ফুল ফুলা উদ্ভিদ। ইয়াক প্ৰধানকৈ এছিয়া আৰু উত্তৰ-পূব ইউৰোপত পোৱা যায়। ইয়াৰ বেছিভাগ প্ৰজাতি প্ৰধানকৈ এছিয়া আৰু বিভিন্নতা আছে চীনৰ পৰা। ইয়াৰ গণনা কৰিব নোৱৰা উদ্ভিদ বিদ্যা বিষয়ক আৰু ইয়াৰ খেতি সম্বন্ধীয় বিভিন্ন তথ্য পোৱা যায়।

ইন্দ্ৰমালতী নামটো গ্ৰীক শব্দ ক্ৰাইচচ যাৰ অৰ্থ সোণ আৰু এনথেমন যাৰ অৰ্থ ফুলৰ পৰা আহিছে। ইন্দ্ৰমালতী জাতটোত বহুতো প্ৰজাতি আছে আৰু বহু যুগৰ পৰা প্ৰচলিত। অৰ্থনৈতিকভাৱে ইন্দ্ৰমালতী ফুল বিধৰ বহুত গুৰুত্ব আছে। ইন্দ্ৰমালতী প্ৰধানকৈ ডেনডনথ্ৰামা প্ৰজাতিৰ।





## ইন্দ্ৰমালতীৰ বিভিন্ন প্ৰকাৰ ঃ

১) বিভিন্ন পাত্ৰত বা টাৱত ৰোৱাৰ বাবে ইন্দ্ৰমালতী ঃ

ক) স্প্ৰে (Spray)- ৰবি কিৰণ, চাৰমিউ, প্ৰোফেচাৰ হাৰিচ, অনুপম, PC21, AAUCC-2, নিৰোড, Yellow decorative, বাসন্তী, স্বদভাবনা, Yellow Gold, অপৰাজিতা আৰু Yellow Bangla.

খ) Standard ঃ স্নো বল, চিল্ক ব্ৰোকাডি, সোনালী তৰা, হাউচটন, আলফ্ৰেড চিম্পচন, Kiku Biori, Stamly Gossling, White Spider, Pink cosa Grande, White cosa Grande আৰু Gloria Deo.

২) বাগিচাত ৰোৱাৰ বাবে ঃ

ক) স্প্ৰে (Spray)- Purple Decorative, Purple Anemone, ৰবি কিৰণ, আকৰ্ষণীয় হালধীয়া, Flirt, স্বদভাবনা, Yellow Bangla, AANCC-2 আৰু বাসন্তী।

খ) Standard: স্নো বল, ৰজত জয়ন্তী, সোনাৰ বাউলা, White Spider, হাউচটন, Stanly Gossling, Dr. Erabe cross, Dignity, Heather Gem আৰু Golden Gaint.

৩) বিভিন্ন ঘৰত ৰোৱাৰ বাবে ঃ

ক) স্প্ৰে (Spray)- ৰবি কিৰণ, চাৰমিউ, AAUCC-2, নিৰোড, বাসন্তী, প্ৰফেচাৰ হাৰিচ।

খ) Standard: স্নো বল, Stanly Gossling, ৰজত জয়ন্তী, Dignity, সোনাৰ বাউলা, White Spider, Dr. Erabe cross, Heather Gem আৰু Golden Gaint.

## ইন্দ্ৰমালতী গছৰ সংৰক্ষণ ঃ

গছৰ ডালৰ কোমলীয়া ডালবিলাকত মোৱা জাতীয় পোক বিলাকে আক্ৰমণ কৰে। ফলত গছডালৰ পাতবিলাক কোকোৰা-কেকুৰী পৰি যায়। ইয়াৰ পৰা ৰক্ষা পৰিবলৈ মালাথিডন ৫০ EC প্ৰতি লিটাৰ পানীত ১.৫ মিঃ লিঃ মিহলাই স্প্ৰে কৰিব লাগে। পলুজাতীয় পোক বিলাকে ইন্দ্ৰমালতীৰ গাজ বা নতুনকৈ গজা পোখা বিলাকত আক্ৰমণ কৰে ইয়াৰ বাবে ১০ দিনৰ অন্তৰত প্ৰতি লিটাৰ পানীত ১ মিঃ লিঃ Dimethote স্প্ৰে কৰিব লাগে। পাত খোৱা পোক বিলাকৰ পৰা ৰক্ষা পাবলৈ প্ৰতি লিটাৰ পানীত ১.২ মিঃ লিঃ Dimetholte স্প্ৰে কৰিব লাগে। পাতত পৰা দাগ বা বেমাৰ গুচাবলৈ প্ৰতিলিটাৰ পানীত ৫ গ্ৰাম কাৰ্বোনাডাজিম স্প্ৰে কৰিব লাগে।

## ইন্দ্ৰমালতীৰ বৰ্ণনা ঃ

বনৰীয়া ইন্দ্ৰমালতী এবিধ বাৰমহীয়া ঘাহ জাতীয় ফুলা উদ্ভিদ। ইহতে পাতবিলাক বিকল্পীয়া হিচাপে যোগান ধৰে। য'ত কিছুমান পাত খাজ কটা আৰু কিছুমানত অকমান ধাৰ থকাৰ দৰে। ইয়াৰ ফুলবিলাক সাধাৰণতে একেলগে ফুলে, কিন্তু কেতিয়াবা এটা এটাকৈও ফুল ফুলিব ধৰে। ফুলৰ মূৰ অংশ এটা তাবিজৰ দৰে ঢাকি থোৱা থাকে। ইন্দ্ৰমালতী ফুলবিধ সাধাৰণতে বগা, হালধীয়া আৰু ৰঙা। কিন্তু উদ্ভিদ বিদ্যাবিদবিলাকে আজিকালি বহুত ৰঙত উদ্ভৱ কৰিছে।

## ইন্দ্ৰমালতীৰ বুৰঞ্জী ঃ

ইন্দ্ৰমালতী ফুলবিধ প্ৰথমতে চীনত পোৱা গৈছিল। চীনৰ পৰা ক্ৰমান্বয়ে সকলো দেশত ই বিয়পি পৰে। জাপানত এই ফুলবিধক "সুখৰ উৎসৱ" বুলি কয়।

## ইন্দ্ৰমালতী ফুল ফুলাৰ সময়ত আৰু ফুলাৰ আগত ল'ব লগা সাৱধানতা ঃ

ফুল ছিঙাৰ কথাতো নিৰ্ভৰ কৰে খেতিয়কৰ ওপৰত আৰু বজাৰ ব্যৱস্থাৰ ওপৰত। যেতিয়া ফুলটোৰ পাহিবিলাক সম্পূৰ্ণকৈ ফুলে তেতিয়া তাক ছিঙিব লাগে। Standard type ফুলটো চিঙাৰ সময় হ'ল যেতিয়া ই দীঘল হৈ যায়। ফুলডাল পাতেৰে সৈতে মাটিৰ পৰা ১০ ছেঃ মিঃ ওপৰত কাটিব আৰু লগে লগে পানীত তিয়াই দিব লাগে। কটা ফুল বিলাক বিভিন্ন ভাগত কৰা হয়



ফুলটোৰ দীঘল, ৰং আৰু ব্যাসৰ ওপৰত নিৰ্ভৰ কৰি। Standard ইন্দ্ৰমালতী ফুলটো দেখা পোৱা বাকচত পেকিং কৰা যাৰ জোখ (৯১x৪৩x১৫) চেঃমিঃ হব লাগে। Spray ইন্দ্ৰমালতী ফুলটো ফুলৰ ২০ ডাল ঠাৰিৰে সৈতে কাৰ্ডবোৰ্ড বাকচত বান্ধিব লাগে যাৰ জোখ হব লাগে ৮০x৫০x২৩ চেঃমিঃ ।

## ইন্দ্ৰমালতীৰ ব্যৱহাৰ ঃ

বনৰীয়া ইন্দ্ৰমালতীতকৈ বাগিচাত ৰোৱা ইন্দ্ৰমালতী ফুল বেছি আকৰ্ষণীয়। ইন্দ্ৰমালতী ফুল বিধ বিভিন্ন ধৰণে পোৱা যায়। ইয়াক প্ৰায় ডেইজী ফুল, পসপন ফুল আৰু নকৈ ওলোৱা কাঠফুলাৰ দৰে দেখি। এই প্ৰজাতিটোত বিভিন্ন ধৰণৰ হাইব্ৰীড উপলব্ধ আৰু ইয়াক খেতিয়কবিলাকে বিভিন্ন ধৰণে ৰোপণ কৰে। ইয়াৰ ফুলৰ ৰঙটো সাধাৰণতে হালধীয়া, বগা, কজলা আৰু ৰঙা।

ইন্দ্ৰমালতী ফুলটো প্ৰধানকৈ দুটা ভাগত ভগোৱা হয়। এই দুটা হ'ল বাগিচাত ৰোৱা আৰু প্ৰদৰ্শনীমূলক। বাগিচাত ৰোৱা ইন্দ্ৰমালতী ফুলবিধ বাৰমহীয়া হয়। শীত প্ৰধান দেশবিলাকত বাগিচাত ৰোৱা ফুলবিলাকত গোন্ধ থাকে আৰু ইহঁতক বৰষুণ আৰু বতাহৰ পৰা ৰক্ষা পৰিবলৈ একোটা খুঁটি পুতি দিব লাগে। প্ৰদৰ্শনীমূলক ফুলবিধকওঁ খুঁটি পুতি দিব লাগে যাতে ই উভালি পৰি নাযায় আৰু ইয়াক সদায় শুকান কৰি ৰাখিব লাগে লগতে ঠাণ্ডাৰ পৰিৱেশত দৰকাৰ পৰিলে ৰাতি পোহৰৰ ব্যৱস্থা কৰি দিব লাগে।

অৰ্থনৈতিকভাৱেও ইন্দ্ৰমালতী ফুল তাৎপৰ্যপূৰ্ণ। কাৰণ ইয়াৰ যি গোন্ধ তাৰ পৰা সুবাস তৈয়াৰ কৰা কাৰখানা, ধূপকাঠী তৈয়াৰ কৰা কাৰখানা আদিত ব্যৱহাৰ হয়।

বগা আৰু হালধীয়া ইন্দ্ৰমালতী সিজাই লৈ এবিধ মিঠা পানীয় হিচাপে বহুতে খোৱা দেখা যায়। এই পানীয়বিধক ইন্দ্ৰমালতী চাহ বুলিও কোৱা হয়। ইন্দ্ৰমালতী ফুলৰ পাতবিলাক ভাপত দি বা সিজাই লৈ এবিধ চুপ জাতীয় বস্তু বনাই খোৱা হয়।

ইন্দ্ৰমালতী ফুল বেছিকৈ ৰুলে বায়ুৰ প্ৰদূষণ বহুতো কমি যায়। ■



উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২

# ইন্দ্ৰমালতী



# Indra Malati